# যুটিয়া প্ৰেছ বিজ্ঞপ্তী- বাংলাদেশ-ভূটান-ভাৰত-নেপাল ( BBIN )ৰ মাজত উপ আঞ্চলিক সহযোগিতাৰ যুটিয়া কাৰ্য্যকৰী গোষ্ঠীৰ (JWG) দ্বিতীয় লানি বৈঠক নতুন দিল্লীত অনুৰ্ষ্ঠিত (৩০-৩১ জানুৱাৰী ২০১৫)

৩১ জানুৱাৰী ২০১৫

জলসম্পদ ব্যৱস্থাপনা আৰু বিদ্যুত/জলবিদ্যুত আৰু যোগাযোগ আৰু ট্ৰানজিতৰ বিষয়ে বাংলাদেশ,ভূটান,ভাৰত,নেপালৰ( BBIN) উপআঞ্চলিক সহযোগিতাৰ যুটিয়া কাৰ্য্যকৰী গোষ্ঠীৰ দ্বিতীয় লানি বৈঠক নতুন দিল্লীত ৩০-৩১ জানুৱাৰী ২০১৫ তাৰিখে বন্ধুত্ব আৰু সৌহাদ্যপূৰ্ণ পৰিবেশৰ মাজত অনুৰ্ষ্ঠিত হয় ।বাংলাদেশৰ প্ৰতিনিধি দলৰ নেতৃত্ব দিয়ে বিদেশ মন্ত্ৰনালয়ৰ (দক্ষিণ এছিয়া)সঞ্চালক প্ৰধান মি:তাৰেক মহম্মদ আৰিফুল ইছলামে,আৰ্থিক বিষয়ৰ মন্ত্ৰনালয়ৰ জলবিদ্যুত আৰু বিদ্যুত ব্যৱস্থা বিভাগৰ সঞ্চালক প্ৰধান ডাচো ইয়েচি ওয়াংগড়িয়ে ভূটানৰ প্ৰতিনিধি দলৰ নেতৃত্ব দিয়ে ,নেপালৰ বিদেশ মন্ত্ৰনালয়ৰ (দক্ষিণ এছিয়া)যুটিয়া সচিব মি:প্ৰকাশ কুমাৰ সুবেদিয়ে আৰু ভাৰতীয় দলৰ নেতৃত্ব দিয়ে যথাক্ৰমে বিদেশ মন্ত্ৰনালয়ৰ যুটিয়া সচিব (উত্তৰ) শ্ৰী অভয় ঠাকুৰে আৰু যুটিয়া সচিব শ্ৰীমতী শ্ৰীপ্ৰিয়া ৰংগানাথনে(বিএম)চাৰিখন দেশৰ প্ৰতিনিধি সকলে এই প্ৰথমখন যুটিয়া বৈঠকত উপস্থিত থাকি সন্তোষ্টি প্ৰকাশ কৰে ।

পাৰস্পৰিক স্বাৰ্থসমুহৰ ক্ষেত্ৰত উপকৃত হোৱাৰ বাবে উপআঞ্চলিক সহযোগিতাৰ বিভিন্ন সম্ভাৱনা সমুহ লৈ মত বিনিময়ৰ সুযোগ প্ৰাপ্তিৰ কাৰনে বৈঠক অনুৰ্ষ্ঠিত কৰাৰ বাবে প্ৰতিনিধি সকলে আদৰনি জনাই ।

জলসম্পদ ব্যৱস্থাপনা আৰু বিদুত/জলবিদ্যুত বিষয়ৰ যুটিয়া কাৰ্য্যকৰী গোষ্ঠীয়ে বৰ্তমানৰ সহযোগিতাৰ ক্ষেত্ৰসমূহৰ পৰ্যালোচনা কৰে ।চাৰিখন দেশৰ মাজত বিদ্যুত বাণিজ্য আৰু আৰ্ন্ত গ্ৰিড কানেকটিভিটিৰ সম্ভাৱনা আৰু ভৱিষ্যতে নিৰ্মিয়মাণ বিদুত প্ৰকল্পসমূহৰ বাবে নিবিৰ সহযোগিতাৰ সম্ভাৱনা সম্পৰ্কেও বৈঠকত আলোচনা কৰে ।জলবিদ্যুত আৰু এই অঞ্চলত প্ৰচুৰ পৰিমানে থকা অন্যান্য বিদ্যুত উতস সমুহৰ লগতে জলসম্পদ ব্যৱহাৰৰ সম্ভৱনা সমুহৰ বিষয়ে জনাৰ বাবে যুটিয়া উদ্যোগ গ্ৰহণ কৰাৰ বিষয়ে ঐক্যমত প্ৰকাশ কৰে ।সমঅংশীদ্বাৰিত্বৰ ভিত্তিতে অন্তত তিনিখন দেশৰ মাজত ভৱিষ্যতে যুটিয়াভাৱে প্ৰকল্প নিৰ্মাণৰ সম্ভাৱনা আছে তথা জলবিদ্যুত/বিদ্যুত প্ৰকল্পসমুহৰ তালিকা বিনিময় কৰাৰ সম্পৰ্কেও সহমত হৈছে ।চাৰিখন দেশৰ মাজত বিদ্যুত ক্ষেত্ৰৰ অনয়ান্য দিশসমুহৰ যথোপযুক্ত প্ৰযোগ আৰু অভিজ্ঞতা বিনিময় কৰা সম্পৰ্কেও বৈঠকত আলোচনা কৰা হয় ।

বানপানী সম্পৰ্কে ভৱিষ্যত বাণী কৰাৰ তথ্য বিনিময় প্ৰথা সম্পৰ্কে চাৰিখন দেশৰ মাজত বিদ্যমান দ্বিপাক্ষীক ব্যৱস্থাপনা সন্দৰ্ভত যুটিয়া কাৰ্য্যকৰী গোষ্ঠীয়ে আলোচনা কৰে আৰু সেই ব্যৱস্থাৰ আৰু অধিক উন্নতিকৰণ কৰাৰ ব্যৱস্থা সম্পৰ্কেও আলোচনা কৰে ।নদী উপত্যকা ভিত্তিক জলসম্পদ ব্যৱস্থাপণাৰ সৰ্ব্বোকৃষ্ট অভিজ্ঞতা বিনিময় কৰাৰ সম্ভাৱনা আৰু তাৰ অধিক বিকাশৰ বিষয়েও আলোচনা কৰা হয় ।

যোগাযোগ আৰু ট্ৰানজিতৰ বিষয়ে বৰ্তমান চলি থকা ব্যৱস্থাসমুহৰ সন্দৰ্ভত যুটিয়া কাৰ্য্যকৰি গোষ্ঠীয়ে পৰ্য্যলোচনা কৰিছে ।মটৰ বাহন আৰু ৰেল চলাচলৰ সুবিধাৰ কাৰনে BBIN চুক্তিৰ প্ৰয়োজনীয়তা সম্পৰ্কে তেওঁলোক একমত হৈছে ।বৰ্তমান দ্বিপাক্ষীক ব্যৱস্থাপনাৰ চলিত পথেৰে অতিৰিক্ত,অন্তত তিনিখন দেশৰ মাজত সম্ভাব্য পণ্য চলাচল (পথ আৰু

ৰেলপথেৰে) আৰু বাচ চলাচলৰ প্ৰস্তাৱসমূহৰ সম্বন্ধেও মত বিনিময় হয় ।আৰু এই সন্দৰ্ভত পৰামৰ্শ বিনিময় কৰাৰ সম্পৰ্কেও একমত হয় ।বাণিজ্যিক আৰু পৰ্য্যটনৰ মাল্টিমডেল পৰিবহণ ব্যৱস্থা গঢ়ি তোলাৰ সম্ভাৱনাসমূহ বিচৰাৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে ।

উপ-আঞ্চলিক যোগাযোগ উপযুক্ত কৰি তোলাৰ কাৰনে স্থল শুল্ক বন্দৰ সমূহত বাণিজ্য বিষয়ক সুবিধাৰ প্ৰসাৰ কৰাৰ সম্বন্ধেও বিতংভাৱে আলোচনা হয় । স্থল শুল্ক বন্দৰ সমূহৰ বাণিজ্য আন্ত:গাঠনিৰ যুটিয়াভাৱে ব্যৱহাৰৰ উপযোগিতা সম্পৰ্কে আৰু শুল্ক ব্যৱস্থাত সামঞ্জস্য অনাৰ সম্পৰ্কে মত বিনিময় হয় ।

বৈঠকত দুটা যুটিয়া কাৰ্য্যকৰী গোষ্ঠীয়ে বিবেচনা কৰিব লগীয়া চৰ্তসমূহৰ বিষয়েও আলোচনা হয় ।

যুটিয়া কাৰ্য্যকৰী গোষ্ঠীৰ পৰবৰ্তী বৈঠক ২০১৫ চনৰ দ্বিতীয় ভাগত বাংলাদেষত অনুষ্ঠিত হব ।

নতুন দিল্লী

৩১ জানুৱাৰী ২০১৫